বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## কৃতজ্ঞতা সন্দৰ্ভত হজৰত মছীহ মাওউদ (আঃ)-ৰ বাস্তৱিক আদৰ্শ আৰু তেখেতৰ শিক্ষাসমূহ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ১৪ আগষ্ট ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,

যোৱা খুতবাবোৰত (প্ৰবচনবোৰত) মই কৃতজ্ঞতা প্ৰকাশৰ বাবে হজৰত মহম্মদ (ছাঃ)ৰ শিক্ষা আৰু তেওঁৰ উত্তম আদৰ্শৰ বিষয়ে বৰ্ণনা কৰিছিলোঁ। কৃতজ্ঞতাৰ এই উচ্চ মানদণ্ডক তেখেত (ছাঃ)ৰ প্ৰকৃত দাস আৰু এই যুগৰ ইমাম হজৰত মছীহ মাওউদ (আঃ) য়ে কেনেদৰে বুজি পাইছিল আৰু নিজৰ কামৰ জৰিয়তে ঘৰৰ ল'ৰা-ছোৱালীক কেনেদৰে বুজাইছিল, তাৰ বিষয়ে মই কিছুমান প্ৰসংগ দাঙি ধৰিম।

হজৰত মছীহ মাওউদ (আঃ) য়ে আল্লাহৰ আশীৰ্বাদৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰাৰ গুৰুত্ব আৰু প্ৰজ্ঞাৰ বিষয়ে বৰ্ণনা কৰি কয় যে, যেতিয়া মানুহে কোনো উচ্চ মৰ্যাদা লাভ কৰে, তেতিয়া তেওঁ অহংকাৰী হৈ পৰে, যদিও এই সময়ছোৱাত তেওঁ বহুতো ভাল কাম কৰিব পাৰে আৰু মানৱজাতিৰ উপকাৰ কৰিব পাৰে। আল্লাহ তা'লাই পৱিত্ৰ কোৰআনত কৈছে, لَئِنْ شَكَرْتُمْ لَأَزِيْدَنَّكُمْ অৰ্থাৎ যদি তোমালোকে মোৰ প্ৰতি কৃতজ্ঞ হোৱা, তেন্তে মই মোৰ অনুগ্ৰহ আৰু অধিক বৃদ্ধি কৰিম, আৰু যদি তোমালোকে অকৃতজ্ঞ হোৱা (অস্বীকাৰ কৰা), তেন্তে মোৰ শাস্তি বৰ কঠোৰ।

অৰ্থাৎ যেতিয়া এজন ব্যক্তিয়ে আল্লাহ তা'লাৰ অনুগ্ৰহ লাভ কৰে, তেতিয়া তেওঁ আল্লাহৰ প্ৰতি কৃতজ্ঞ হোৱা উচিত আৰু মানুহৰ মংগলৰ কথা চিন্তা কৰা উচিত। যদি কোনোবাই এনে নকৰে আৰু তাৰ পৰিৱৰ্তে অত্যাচাৰ আৰম্ভ কৰে, তেন্তে আল্লাহ তা'লাই তেওঁৰ পৰা সেই আশীৰ্বাদসমূহ কাঢ়ি লয় আৰু শাস্তি প্ৰদান কৰে।

তাৰ পিছত তেখেত (আঃ) য়ে কয় যে, সৰ্বপ্ৰথমে আল্লাহৰ ধন্যবাদ জ্ঞাপন কৰা, যিজনে আমাক জীৱন দিছে, স্বাস্থ্য দিছে, সুস্থতা দিছে, শান্তি প্ৰদান কৰিছে আৰু ধৰ্ম প্ৰচাৰৰ উপায় যোগান ধৰিছে। প্ৰকৃততে সত্যটো হ'ল যে, যদি আমি আল্লাহ তা'লাৰ আশীৰ্বাদৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিব বিচাৰো, তেন্তে সেই আল্লাহৰ দয়া আৰু অনুগ্ৰহ গণনা কৰাটো কেতিয়াও সম্ভৱ নহয়।

তাৰ পিছত আন এক প্ৰসংগত তেখেত (আঃ) য়ে কয় যে, মুছলমানসকলে আল্লাহ তা'লাৰ প্ৰতি অতিশয় কৃতজ্ঞ হোৱা উচিত, যিজনে তেওঁলোকক এনে এটা ধৰ্ম প্ৰদান কৰিছে যিটো তাত্ত্বিক আৰু ব্যৱহাৰিকভাৱে সকলো ধৰণৰ

দুৰ্নীতি, ঘৃণনীয় কথা আৰু সকলো ধৰণৰ বেয়া কামৰ পৰা মুক্ত। যদি মানুহে গভীৰভাৱে চিন্তা কৰে, তেন্তে তেওঁ জানিব পাৰিব যে সকলো প্ৰশংসা আৰু গুণাৱলীৰ অধিকাৰী কেৱল আল্লাহ তা'লাহে আৰু কোনো মানুহ বা সৃষ্ট জীৱ প্ৰকৃত আৰু বাস্তৱিকভাৱে প্ৰশংসা আৰু গুণানুকীৰ্তনৰ যোগ্য নহয়। যদি মানুহে কোনো স্বাৰ্থ নোহোৱাকৈ নিৰপেক্ষভাৱে চায়, তেন্তে তেওঁৰ ওচৰত এইটো স্পষ্ট হৈ পৰিব যে প্ৰশংসাৰ যোগ্য বুলি বিবেচিত হোৱা কোনো ব্যক্তি হয়তো এইবাবেই যোগ্য হ'ব পাৰে যে যি সময়ত কোনো অস্তিত্ব নাছিল আৰু কোনো অস্তিত্বৰ খবৰো নাছিল, তেতিয়া তেৱেঁই ইয়াৰ সৃষ্টিকৰ্তা আছিল; বা এই কাৰণত যে যি সময়ত কোনো অস্তিত্ব নাছিল আৰু জীয়াই থকা, অস্তিত্ব ৰক্ষা, স্বাস্থ্য ৰক্ষা আৰু জীৱন ধাৰণৰ বাবে কি কি উপায়ৰ প্ৰয়োজন সেয়াও জনা নাছিল, তেতিয়া তেৱেঁই সেই সকলোবোৰ সামগ্ৰী যোগান ধৰিছিল; বা এনে এক সময়ত যেতিয়া তেওঁৰ ওপৰত বহুতো বিপদ আহিব পাৰিলেহেঁতেন, তেতিয়া তেওঁ দয়া কৰিছিল আৰু তেওঁক সুৰক্ষিত ৰাখিছিল। অথবা এই কাৰণেও প্ৰশংসাৰ যোগ্য হ'ব পাৰে যে কষ্ট কৰা জনৰ কষ্ট অথলে যাবলৈ নিদিয়ে আৰু শ্ৰমিকৰ অধিকাৰ সম্পূৰ্ণৰূপে আদায় দিয়ে। যদিও দেখাত শ্ৰমিকৰ অধিকাৰ প্ৰদান কৰাটো পাৰিতোষিক বা বিনিময়, তথাপিও যি ব্যক্তিয়ে সম্পূৰ্ণৰূপে অধিকাৰ আদায় দিয়ে তেৱোঁ উপকাৰী হ'ব পাৰে। এইবোৰ উচ্চ পৰ্যায়ৰ গুণ যিয়ে কাৰোবাক প্ৰশংসা আৰু গুণানুকীৰ্তনৰ যোগ্য কৰি তুলিব পাৰে। এতিয়া চিন্তা কৰি চাওক যে প্ৰকৃততে এই সকলোবোৰ প্ৰশংসাৰ যোগ্য কেৱল আল্লাহ তা'লাহে, যিজন এই গুণাৱলীৰে পৰিপূৰ্ণভাৱে বিভূষিত আৰু আন কাৰো মাজত এই গুণবোৰ নাই।

তাৰ পাছত ইছলামৰ নৱজাগৰণ আৰু আহমদীয়া সম্প্ৰদায়ৰ প্ৰতিষ্ঠাৰ বাবে আল্লাহ তা'লাক ধন্যবাদ জ্ঞাপন কৰাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি হজৰত মছীহ মাওউদ আলাইহিছ ছালামে কৈছে যে:

"হে জ্ঞানী লোকসকল! আপোনালোকে এই কথাত আচৰিত নহ'ব যে খোদা তা'লাই এই প্ৰয়োজনৰ সময়ত আৰু এই গভীৰ অন্ধকাৰৰ দিনবোৰত এক স্বৰ্গীয় পোহৰ অৱতীৰ্ণ কৰিলে আৰু এজন বান্দাক সাধাৰণ মানুহৰ কল্যাণৰ বাবে বিশেষভাৱে নিৰ্বাচিত কৰি ইছলামৰ বাণী উৰ্ধ্বত কৰিবলৈ, সৰ্বশ্ৰেষ্ঠ মানৱ (হজৰত মহম্মদ ছাঃ)ৰ পোহৰ বিলাই দিবলৈ, মুছলমানসকলক সহায় কৰিবলৈ আৰু লগতে তেওঁলোকৰ আভ্যন্তৰীণ অৱস্থা পৰিষ্কাৰ কৰাৰ উদ্দেশ্যে পৃথিৱীলৈ প্ৰেৰণ কৰিলে। আচৰিত হ'বলগীয়া কথা এইটোহে আছিল যে, যিজন খোদা ইছলাম ধৰ্মৰ ৰক্ষক, যিজনে প্ৰতিশ্ৰুতি দিছিল যে মই সদায় কোৰআনৰ শিক্ষাৰ পহৰাদাৰ হৈ থাকিম আৰু ইয়াক চেঁচা, নিস্প্ৰভ আৰু পোহৰহীন হ'বলৈ নিদিম; তেওঁ এই অন্ধকাৰ দেখি আৰু এই আভ্যন্তৰীণ আৰু বাহ্যিক ক্ৰটিবোৰৰ ওপৰত চকু দি নীৰৱে থাকিলেহেঁতেন আৰু নিজৰ পবিত্ৰ গ্ৰন্থত দৃঢ়তাৰে প্ৰকাশ কৰা সেই প্ৰতিশ্ৰুতি পাহৰি গ'লেহেঁতেন। মই পুনৰ কওঁ যে, যদি আচৰিত হ'বলগীয়া কিবা আছিল, তেন্তে সেয়া আছিল সেই পবিত্ৰ ৰছুল (ছাঃ)ৰ স্পষ্ট আৰু মুকলি ভৱিষ্যতবাণী ব্যৰ্থ হোৱাটো, য'ত কোৱা হৈছিল যে প্ৰতিটো শতিকাৰ আৰম্ভণিতে খোদা ত'লাই এনে এজন বান্দাক সৃষ্টি কৰি থাকিব যিয়ে তেওঁৰ ধৰ্মক নৱৰূপ দিব। গতিকে এইটো আচৰিত হোৱাৰ বিষয় নহয়, বৰঞ্চ হাজাৰবাৰ ধন্যবাদ জ্ঞাপন কৰাৰ বিষয় আৰু ঈমান তথা বিশ্বাস বৃদ্ধি কৰাৰ সময় যে খোদা তা'লাই নিজৰ অনুগ্ৰহ আৰু কৰুণাৰে নিজৰ প্ৰতিশ্ৰুতি পূৰণ কৰিলে আৰু নিজৰ ৰছুলৰ ভৱিষ্যতবাণীত এক মিনিটৰো ইফাল-সিফাল হ'বলৈ নিদিলে আৰু কেৱল ভৱিষ্যতবাণী পূৰণেই নকৰিলে, বৰঞ্চ ভৱিষ্যতৰ বাবেও হাজাৰ হাজাৰ ভৱিষ্যতবাণী আৰু অলৌকিকতাৰ দুৱাৰ মুকলি কৰি দিলে। যদি আপোনালোক ঈমানদাৰ, তেন্তে ধন্যবাদ জ্ঞাপন কৰক আৰু কৃতজ্ঞতাৰ ছিজদা (প্ৰণিপাত) কৰক যে যি সময়ৰ বাবে অপেক্ষা কৰি কৰি আমাৰ পূৰ্বপুৰুষসকল আৰু অগণন আত্মাই আগ্ৰহেৰে পৃথিৱী ত্যাগ কৰিলে, সেই সময় আপোনালোকে পালেগৈ। এতিয়া ইয়াৰ মৰ্যাদা বুজা বা নুবুজা, ইয়াৰ পৰা লাভান্বিত হোৱা বা নোহোৱা আপোনালোকৰ হাতত।"

হুজুৰে কৈছে! আজিৰ মুছলমানসকলৰ কৰ্তব্য হ'ল আল্লাহ তা'লাৰ প্ৰতি কৃতজ্ঞ হৈ আল্লাহ তা'লাই প্ৰেৰণ কৰা জনক মানি লোৱা আৰু নিজকে একতাৰ এনাজৰীৰে বান্ধি ৰখা, যাতে বিপদৰ পৰা ৰক্ষা পৰিব পাৰে।

সত্যৰ সন্ধান কৰা এজন ব্যক্তিক সম্বোধন কৰি হজৰত আকদছ মছীহ মাওউদ আলাইহিছ ছালামে কৈছে যে খোদাৰ ধন্যবাদ জ্ঞাপন কৰক যে তেওঁ সঠিক সময়ত সহায় আগবঢ়াইছে আৰু এই ব্যৱস্থাটো (ছিলছিলা) প্ৰতিষ্ঠা কৰিছে। সেয়েহে আপোনাৰ বাবে উচিত যে আপোনাক যি অনুগ্ৰহ কৰা হৈছে তাক অথলে যাবলৈ নিদিব, ইয়াক সন্মানৰ দৃষ্টিৰে চাব আৰু তোমালোকক যি সহায় প্ৰদান কৰা হৈছে তাৰ মূল্য বুজা এয়া আল্লাহ তা'লাৰ অনুগ্ৰহ যে আল্লাহ তা'লাৰ দ্বাৰা প্ৰেৰিত জনক মানুহে চিনিব পাৰে। গতিকে তোমালোকৰ ওপৰত এয়া খোদা তা'লাৰ এক বৃহৎ অনুগ্ৰহ যে তেওঁ তোমালোকক এই শক্তি প্ৰদান কৰিছে আৰু চিনিব পৰা চকু প্ৰদান কৰিছে।

তাৰ পিছত তেখেত (আঃ) য়ে মিঞা আব্দুল হক চাহাবৰ উদাহৰণ দিছিল যে কেনেকৈ আল্লাহ তা'লাই তেওঁৰ হাত ধৰিছিল আৰু তেওঁক বিলাসিতাৰ ঠাইৰ পৰা উলিয়াই আনি সত্য গ্ৰহণ কৰাৰ তৌফিক (সামৰ্থ্য) দিছিল। হজৰত মিঞা আব্দুল হক চাহাব কাছুৰৰ বাসিন্দা আছিল। তেওঁ এজন ছাত্ৰ আছিল আৰু খ্ৰীষ্টান হৈ গৈছিল। তাৰ পিছত হজৰত চাহাব (আঃ)-ৰ কিছুমান লেখনী পঢ়ি তেওঁলৈ চিঠি লিখিছিল যে তেওঁ ইছলামৰ সত্যতা আৰু প্ৰকৃত ৰূপ ব্যৱহাৰিকভাৱে চাব বিচাৰে। তেখেত (আঃ) য়ে কৈছিল যে কমেও দুমাহৰ বাবে কাদিয়ানলৈ আহি থাকক। সেইমতে তেওঁ অহাৰ সিদ্ধান্ত লৈছিল। তেওঁক বহু মানুহে বাধা দিছিল আৰু কাদিয়ানলৈ নাযাবলৈ উপদেশ দিছিল। এজনে আনকি গালিও পাৰিছিল। কিন্তু এই সকলোবোৰ কথাৰ ওপৰত ঈশ্বৰৰ অনুগ্ৰহ প্ৰৱল হৈ পৰিল আৰু তেওঁক টানি আনিলে।

আহমদীয়া জামাতত অন্তৰ্ভুক্ত হোৱা লোকসকলৰ আন্তৰিকতা আৰু প্ৰেমৰ কথা উল্লেখ কৰি হজৰত মছীহ মাওউদ আলাইহিছ্ছালামে কয় যে মই এই কথা প্ৰকাশ নকৰাকৈ আৰু ইয়াৰ বাবে ধন্যবাদ নিদিয়াকৈ থাকিব নোৱাৰো যে খোদা তা'লাৰ কৃপা আৰু অনুগ্ৰহে মোক অকলশৰীয়া কৰি এৰি যোৱা নাই, মোৰ লগত ভাতৃত্ববোধৰ সম্পৰ্ক স্থাপন কৰা আৰু এই জামাতত প্ৰৱেশ কৰা লোকসকল, যাক খোদা তা'লাই নিজ হাতেৰে প্ৰতিষ্ঠা কৰিছে, তেওঁলোক প্ৰেম আৰু আন্তৰিকতাৰ ৰঙেৰে এক আচৰিত ধৰণে ৰঙীন, মোৰ নিজৰ পৰিশ্ৰমৰ দ্বাৰা নহয় বৰঞ্চ খোদা তা'লাৰ বিশেষ অনুগ্ৰহৰ দ্বাৰা এই সত্যতাৰে ভৰা আত্মাসমূহ মোক প্ৰদান কৰিছে। সৰ্বপ্ৰথমে মই মোৰ এজন আধ্যাত্মিক ভাতৃৰ কথা উল্লেখ কৰিবলৈ হৃদয়ত উৎসাহ অনুভৱ কৰোঁ যাৰ নাম তেওঁৰ আন্তৰিকতাৰ পোহৰৰ দৰেই নুৰ-উদ্দীন। মই সদায় তেওঁৰ কিছুমান ধৰ্মীয় সেৱাৰ প্ৰতি ঈৰ্ষাৰ দৃষ্টিৰে চাওঁ যিবোৰ তেওঁ নিজৰ হালাল ধন খৰচ কৰি ইছলামৰ বাণী উচ্চ কৰাৰ বাবে কৰি আছে, আৰু ভাবো যে মইও যদি সেই সেৱাসমূহ কৰিব পাৰিলোহেঁতেন।

হে ৰাব্বুল আলামীন (বিশ্বজগতৰ প্ৰতিপালক), মই তোমাৰ অনুগ্ৰহৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰি শেষ কৰিব নোৱাৰো। তুমি অত্যন্ত দয়ালু আৰু কৰুণাময় আৰু মোৰ ওপৰত তোমাৰ অসংখ্য অনুগ্ৰহ আছে। মোৰ পাপসমূহ ক্ষমা কৰা যাতে মই ধ্বংস হৈ নাযাওঁ। মোৰ হৃদয়ত তোমাৰ বিশেষ প্ৰেম সুমুৱাই দিয়া যাতে মই জীৱন লাভ কৰিব পাৰোঁ, আৰু মোৰ দোষসমূহ ঢাকি ৰাখা আৰু মোৰ দ্বাৰা এনে কৰ্ম কৰোৱা যিবোৰত তুমি সন্তুষ্ট হোৱা। মই তোমাৰ কৰুণাময় সত্তাৰ আশ্ৰয় বিচাৰো যাতে তোমাৰ ক্ৰোধ মোৰ ওপৰত পতিত নহয়। দয়া কৰা আৰু মোক পৃথিৱী আৰু পৰকালৰ বিপদৰ পৰা ৰক্ষা কৰা, কিয়নো সকলো কৃপা আৰু অনুগ্ৰহ কেৱল তোমাৰ হাততেই আছে। আমীন ছুম্মা আমীন।

হজৰত মছীহ মাওউদ আলাইহিছ্ছালামে কয় যে এই ঠাইত মই এই কৃতজ্ঞতা প্ৰকাশ নকৰাকৈ থাকিব নোৱাৰো যে যিদৰে খোদা তা'লাই আমাৰ নবী ছাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ সমৰ্থনত তেওঁৰ ওহী (প্ৰত্যাদেশ)ৰ জৰিয়তে

কাফিৰসকলক নিৰুত্তৰ কৰিছিল আৰু কৈছিল যে মোৰ এই নবীৰ এনে উচ্চ পৰ্যায়ৰ উত্তম চৰিত্ৰ আছে যে তেখেতৰ যোৱা চল্লিছ বছৰৰ জীৱনত কোনো দোষ বা ত্ৰুটি উলিয়াবলৈ তোমালোকৰ শক্তি নাই। যদিওবা তেখেত চল্লিছ বছৰ ধৰি দিনে-ৰাতিয়ে তোমালোকৰ মাজতেই বাস কৰিছে। আৰু তেখেতৰ উচ্চ পৰিয়ালটোত, যিটো আভিজাত্য, পৱিত্ৰতা, নেতৃত্ব আৰু সমৃদ্ধিৰ পৰিয়াল, তাত অকণমানো দোষ উলিয়াবলৈ তোমালোকৰ শক্তি নাই। তাৰ পিছত তোমালোকে চিন্তা কৰা যে যিজন ব্যক্তি এনে উচ্চ, পৱিত্ৰ আৰু উত্তম পৰিয়ালৰ পৰা আহিছে আৰু তেওঁৰ চল্লিছ বছৰৰ জীৱন যিটো তোমালোকৰ সন্মুখতে অতিবাহিত হৈছে, সেয়া সাক্ষ্য দি আছে যে মিছা কথা কোৱা আৰু মিছা অপবাদ দিয়া তেওঁৰ কাম নহয়, তেন্তে এই গুণবোৰৰ লগতে যেতিয়া তেওঁ স্বৰ্গীয় নিদৰ্শন দেখুৱাই আছে আৰু খোদা তা'লাৰ সমৰ্থন তেওঁৰ লগত আছে আৰু তেওঁ যি শিক্ষা কঢ়িয়াই আনিছে যাৰ তুলনাত তোমালোকৰ বিশ্বাসসমূহ সম্পূৰ্ণৰূপে লেতেৰা আৰু অপৱিত্ৰ যিহেতু তেওঁলোক শ্বিৰ্কত (বহু-ঈশ্বৰবাদত) নিমজ্জিত হৈ আছে, তেন্তে ইয়াৰ পিছত এই নবী (ছাঃ)ৰ সত্যতাৰ ক্ষেত্ৰত তোমালোকৰ আৰু কি সন্দেহ থাকিব পাৰে। একেদৰেই আল্লাহ তা'লাও মোৰ বিৰোধী আৰু অস্বীকাৰকাৰীসকলক দোষী সাব্যস্ত কৰিছে। সেয়েহে, 'বৰাহিন-এ-আহমদিয়া'ৰ ৫১২ পৃষ্ঠাত মোৰ বিষয়ে এই ওহী (প্ৰত্যাদেশ) আছে, যিটো প্ৰকাশ হোৱা বিশ বছৰ পাৰ হৈ গৈছে আৰু সেয়া হৈছে: وَلَقَدْ لَبِثْتُ فِيْكُمْ عُمُرًا مِّنْ قَبْلِهٖ اَفَلَا تَعْقِلُوْنَ অৰ্থাৎ এই বিৰোধীসকলক কৈ দিয়া যে মই চল্লিশ বছৰ ধৰি তোমালোকৰ মাজতেই বাস কৰি আহিছোঁ আৰু এই দীঘলীয়া সময়ছোৱাত তোমালোকে মোক দেখিছা যে মোৰ কাম মিছা আৰু কৃত্ৰিম নহয়, আৰু আল্লাহে মোক অপৱিত্ৰ জীৱনৰ পৰা সুৰক্ষিত ৰাখিছে।

তেখেত (আঃ) য়ে নিজৰ ঘৰত ল'ৰা-ছোৱালীৰ মাজতো কৃতজ্ঞতাৰ মনোভাৱ গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। এটা বৰ্ণনাত আছে যে, এবাৰ তেখেতে ঘৰত ল'ৰা-ছোৱালীক এটা সাধু শুনাইছিল যে এজন তপা (মূৰত চুলি নথকা) আৰু এজন অন্ধ মানুহ আছিল। আল্লাহে তেওঁলোকৰ ওচৰলৈ এজন ফিৰিস্তা পঠিয়ালে। ফিৰিস্তাজনে তপা মানুহজনক সুধিলে, "তুমি কি বিচৰা?" সি ক'লে যে মোৰ মূৰত চুলি গজিব লাগে আৰু মই ধন-সম্পত্তি পাব লাগে। ফিৰিস্তাজনে তাৰ মূৰত হাত বুলাই দিলে আৰু তাৰ চুলি গজি উঠিল আৰু সি ধন-সম্পত্তি পালে। তাৰ পিছত ফিৰিস্তাজনে অন্ধ মানুহজনৰ ওচৰলৈ আহিল। তেওঁ অন্ধজনক সুধিলে, "তুমি কি বিচৰা?" সি ক'লে, "মোৰ চকু দুটা ঘূৰাই পাওঁ আৰু মই ধন-সম্পত্তি পাওঁ।" ফিৰিস্তাজনে তাৰ গাত হাত বুলাই দিলে আৰু তাৰ দৃষ্টিশক্তি ঘূৰি আহিল, লগতে সিও ধন-সম্পত্তি পালে।

কিছু দিন পিছত আল্লাহে সিহঁতক পৰীক্ষা কৰিবলৈ ফিৰিস্তাজনে পুনৰ এজন দৰিদ্ৰ মানুহৰ বেশত পঠিয়ালে। তেওঁ গৈ তপা মানুহজনক সহায় খুজাত, সি বৰ নিষ্ঠুৰভাৱে, খঙেৰে উত্তৰ দিলে আৰু ধমক দি ক'লে, "যোৱা ইয়াৰ পৰা, তোমাৰ দৰে বহুতো ভিখাৰী ঘূৰি ফুৰে।" ফিৰিস্তাজনে তাৰ মূৰত হাত বুলাই দিলে, সি পুনৰ তপা হৈ গ'ল আৰু তাৰ ধন-সম্পত্তিও নাইকিয়া হ'ল। তাৰ পিছত তেওঁ অন্ধ মানুহজনৰ ওচৰলৈ গৈ সহায় খুজিলে। অন্ধ মানুহজনে ক'লে, "সকলোবোৰ আল্লাহেই দিছে আৰু এইয়া তেওঁৰেই সম্পত্তি, তুমি লৈ যোৱা।" তেতিয়া আল্লাহে তাক আৰু অধিক ধন-সম্পত্তি দিলে। সেয়েহে মৰমৰ ল'ৰা-ছোৱালীহঁত, তোমালোকেও মনত ৰাখিবা যে:

আল্লাহ তা'লাৰ প্ৰদত্ত অনুগ্ৰহৰ বাবে কৃতজ্ঞ হোৱা আৰু ইয়াৰ মৰ্যাদা বুজা, আৰু সহায় বিচৰা লোকক ধমক নিদিবা। দান কৰাটো ভাল কথা আৰু সহায় বিচৰা লোকক দিব লাগে, ইয়াৰ দ্বাৰা আল্লাহ সন্তুষ্ট হয় আৰু অনুগ্ৰহ বৃদ্ধি কৰে।

তাৰ পিছত আন এটা সুযোগত তেখেত (আঃ) য়ে হজৰত মৌলৱী নুৰুদ্দিন চাহাব (ৰাঃ) ৰ বিষয়ে কৈছিল, হজৰত হাকিম মৌলৱী চাহাব আল্লাহ তা'লাৰ নিয়ামত (আশীৰ্বাদ)সমূহৰ ভিতৰত অন্যতম এটা নিয়ামত। তেখেতৰ জৰিয়তে

বহুতো দুখীয়া লোকৰ চিকিৎসা হয়। চিকিৎসা আন লোকৰ হৈছিল, কিন্তু তেখেত (আঃ) য়ে এই কথাত কৃতজ্ঞতা প্ৰকাশ কৰিছিল যে মানৱ সেৱা হৈ আছে আৰু মানুহে উপকৃত হৈছে।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰে (আল্লাহ তেওঁৰ সহায়ক হওক) কেইগৰাকীমান প্ৰয়াত ব্যক্তিৰ কথা উল্লেখ কৰে:

- সন্মানীয় হাফিজ শ্বাহবাজ আহমেদ চাহাব, মুৰব্বী ছিলছিলা আইভৰি ক'ষ্ট।
- সন্মানীয় ইলনিংগানা মোমিনী চাহাব, বুৰ্কিনা ফাছো (শ্বহীদ),
- সন্মানীয় ইয়াহিয়া ছৌমাৰে চাহাব, মালি (শ্বহীদ),
- সন্মানীয় চিৰাজুল হক কুৰেশ্বী চাহাব, নায়েব অফিচাৰ জলছা ছালানা ৰাবৱাহ,
- সন্মানীয় লাৱাল তায়্যেব চাহাব, মুয়াল্লিম ছিলছিলা নাইজেৰিয়া, আৰু
- সন্মানীয় মাষ্টাৰ গফুৰ আহমেদ চাহাব, চাংলা কানাডাৰ কথা উল্লেখ কৰি তেওঁলোকৰ মাগফিৰাতৰ (ক্ষমাৰ) বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اعْمَالِنَا مَن يَّهْدِهِ اللهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللهِ رَحِمَكُمُ اللهُ اِنَّ اللهَ يأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللهِ اَكْبَرُ -

Assamese Khulasa Khutba Hazur Anowar 14 Aug 2026

Nazarat Nashor-O-Ishaat Qadian